**2 0 2 6**

# ASSAMESE

( Major )

Paper : ASS4400404MJ

**( অসমীয়া লিপিৰ পৰিচয় )**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) লিপিৰ পূৰ্ণ বিকশিত ৰূপটোক কি লিপি বুলি জনা যায় ?

(খ) কোন ৰাজবংশৰ সময়ত ব্ৰাহ্মী লিপিত পোনপ্ৰথম ক্ষুদ্ৰ শিৰোৰেখাই ভূমুকি মাৰে ?

(গ) কোনগৰাকী পণ্ডিতে ১৯৫৫ চনতে সিন্ধু লিপিৰ দহোটা চিহ্নৰে সৈতে ব্ৰাহ্মী লিপিৰ দহোটা আখৰৰ হুবহু মিল দেখুৱাইছিল ?

(ঘ) 'অসমীয়া প্ৰাচীন লিপি' নামৰ গ্ৰন্থখনৰ লেখক কোন ?

(ঙ) বৰ্তমান লৈকে উদ্ধাৰ হোৱা প্ৰাচীনতম অসমীয়া শিলালিপিখনৰ নামটো লিখা।

(চ) সুৰেন্দ্ৰ বৰ্মাৰ উমাচল শৈললিপিত সৰ্বমুঠ কিমানটা অক্ষৰ পোৱা যায়?

(ছ) হৰ্জৰ বৰ্মাৰ হায়ুংথল তাম্ৰশাসনখনি কিমান শতাব্দীত লিখা হৈছিল?

(জ) আহোম ৰজাসকলে পুথি লিখিবলৈ দায়িত্ব অৰ্পণ কৰা লোকসকলক কি নামেৰে জনা যায়?

২। যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখা : ২×৬=১২

(ক) পৃথিৱীৰ লিপিবোৰক প্ৰধানত কি দুটি ভাগত ভাগ কৰিব পাৰি?

(খ) সিন্ধু লিপিৰ পৰৱৰ্তী ভাৰতৰ দুবিধ প্ৰাচীন লিপিৰ নাম লিখা।

(গ) ব্ৰাহ্মী লিপিৰ দক্ষিণী শৈলীৰ পৰা বিকশিত যি কোনো দুবিধ লিপিৰ নাম লিখা।

(ঘ) 'বৰগংগা শিলালিপি' কোনজনা নৃপতিয়ে, কিমান শতাব্দীত খোদিত কৰাইছিল?

(ঙ) 'গছতল স্তম্ভলিপি' কোনে, ক'ৰ পৰা উদ্ধাৰ কৰি অসম ৰাজ্যিক সংগ্ৰহালয়ত জমা দিছিল?

(চ) ভাস্কৰ বৰ্মাৰ 'ডুবি তাম্ৰশাসন'ত মুঠ কিমানটা শাৰী আৰু শ্লোক আছে?

(ছ) বলবৰ্মাৰ হাওৰঘাট শাসনৰ অন্য এটা নাম কি? শাসনখনিৰ পাঠ জয়জয়তে কোনে উদ্ধাৰ কৰে?





(জ) সম্পূৰ্ণ অসমীয়া আখৰত লিখা বৰ্তমানলৈ আৱিষ্কৃত শিলালিপিখনৰ নামটো লিখা। লিপিখন ইংৰাজী কিমান চনত উদ্ধাৰ হয়?

(ঝ) কাইথেলী লিপিত লিখা দুখন পুৰণি অসমীয়া পুথিৰ নাম লিখা।

(ঞ) 'জাও বা ঝাউ দিয়া' বুলিলে কি বুজা?

৩। চমুকৈ আলোচনা কৰা (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) অশোককালীন ব্ৰাহ্মী লিপিৰ স্বৰূপ

(খ) নগাজৰী-খনিকৰ গাঁও প্ৰস্তৰখণ্ড লিপি

(গ) হৰ্জৰ বৰ্মাৰ তেজপুৰ লিপি

(ঘ) ভাস্কৰ বৰ্মাৰ নিধনপুৰ তাম্ৰশাসন

(ঙ) বনমাল বৰ্মাৰ পৰ্বতীয়া তাম্ৰশাসন

(চ) অসমীয়া লিপিৰ উৎপত্তি সন্দৰ্ভত থকা ভিন্ন মতামত

(ছ) অসমীয়া লিপি চৰ্চাৰ আহিলা হিচাপে সাঁচিপাত আৰু তুলাপাতৰ গুৰুত্ব

(জ) মহী বা চিয়াঁহী প্ৰস্তুতকৰণ প্ৰণালী

৪। বহলাই আলোচনা কৰা (যি কোনো **দুটা**) : ১০×২=২০

(ক) লিপিৰ বিকাশক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰিব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) ব্ৰাহ্মী লিপি আৰু খৰোষ্ঠীলিপিৰ বিষয়ে একোটিকৈ আলোচনা আগবঢ়োৱা।

(গ) অসমীয়া লিপিৰ যুগ-বিভাজন দেখুৱাই এটি আলোচনা যুগুত কৰা।

(ঘ) মধ্যযুগীয় অসমীয়া লিপিৰীতি তিনিটাৰ বিষয়ে একোটিকৈ আলোচনা আগবঢ়োৱা।

(ঙ) অসমীয়া লিপিৰ বিকাশত শৈললিপিসমূহৰ গুৰুত্ব বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

★★★